## গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী ঃ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহত নষ্টালজিক পৰিৱেশ

# স্মৃতিগ্ৰন্থসহ ১৪ খন গ্ৰন্থ উন্মোচন, অনুপম সাংস্কৃতিক অনুষ্ঠান

প্ৰতিদিন বিশেষ সেৱা-বিশেষ সংবাদ, ছয়দুৱাৰ-গহপুৰ, ২ নৱেম্বৰ ঃ 'অৰুণাচল প্ৰদেশত কাব্য-সাহিত্য কিম্বা স্মৃতিগ্ৰন্থ আদি প্ৰকাশৰ ক্ষেত্ৰত আমি বিভিন্ন সময়ত সমস্যা আৰু অসুবিধাৰ সন্মুখীন হওঁ। ইয়াৰ প্ৰধান কাৰণ অৰুণাচল প্ৰদেশত লেখক, কবি বা সাহিত্যিকৰ সংখ্যা তেনেই সীমিত। অসমৰ ক্ষেত্ৰত কিন্তু ইয়াৰ বিপৰীত ছবি দেখা পোৱা যায়। ইয়াৰ প্ৰধান কাৰণ হ'ল অসমৰ কাব্য সাহিত্যৰ পথাৰ প্ৰতিভাৱান কবি-সাহিত্যিক, লেখকৰ সমাহাৰে চহকী কৰি ৰাখিছে। গহপুৰ মহকুমাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ ছয়দুৱাৰ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী সমাৰোহৰ আজি দ্বিতীয় দিনা ফণীন্দ্ৰ শৰ্মা সোঁৱৰণী মঞ্চত সোণালী জয়ন্তী উপলক্ষে দিগন্ত গোহাঞিৰ মুখ্য সম্পাদনা আৰু জগদীশ শৰ্মা, ড° মাধৱ বৰাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'স্মৃতিৰ সোণালী দুৱাৰ' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰি এইদৰে কয় অৰুণাচল প্ৰদেশৰ বাসিন্দা তথা বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে। সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক তথা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই আঁতধৰা গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট সাহিত্যিকগৰাকীয়ে অসমৰ সাহিত্যৰ ক্ষেত্ৰখনত যথেষ্টসংখ্যক লেখক-লেখিকাই আত্মপ্ৰকাশ কৰা ঘটনাত তেওঁ আনন্দ অনুভৱ কৰা বুলি ব্যক্ত কৰে। একেটা অনুষ্ঠানতে ছয়দুৱাৰ মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয় আলোচনী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সোণালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'সোণালী সংগম', অধ্যাপক ভাস্কৰজ্যোতি গগৈৰ 'অনুচ্চ নিনাদ', নগেন শৰ্মাৰ 'নশইচৰ অংকুৰ বিচাৰি', মুনিন কুমাৰ দাস আৰু স্বপ্না কাকতীৰ 'গ্লিম্পছেছ অব্ মেম'ৰিয়েল ইভেন্টছ অব ছয়দুৱাৰ কলেজ', গোপাল নেৱাৰৰ 'মুক্তি সংগ্ৰামৰ সেনানী', পুষ্প বৰুৱা ভূঞাৰ 'কাঁচিয়লি ৰ'দৰ দৰে', বিপিন

### অসমৰ সাহিত্যৰ পথাৰত প্ৰতিভাৰ স্ফুৰণ দেখি অভিভূত য়েছে দৰজে ঠংচি






সন্দিকৈৰ তিনিখন গ্ৰন্থ ক্ৰমে 'না-আঁকিবা', 'প্ৰভাতী ৰ'দৰ একাঁজলি', 'অনুভৱ', ভৈৰৱী তামুলীৰ শিশুগ্ৰন্থ 'আৱাৰ ফেষ্টিভেল', মহাবিদ্যালয়খনৰ শিক্ষা বিভাগৰ গৱেষণা পত্ৰ, মহাবিদ্যালয়খনৰ নিউজ লেটাৰকে ধৰি চৈধ্যখন গ্ৰন্থ পৃথকে পৃথকে উন্মোচন কৰা হয়। উদ্‌যাপন সমিতিৰ সভাপতি তথা প্ৰাক্তন অধ্যক্ষ গজেন বৰুৱাই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা গ্ৰন্থ উন্মোচনী-সভাত বিশিষ্ট কবি-সাহিত্যিক জ্ঞান-পূজাৰী, কবি-সাংবাদিক নগেন কোঁৱৰ, শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে বংশী বৰা, খগেন গোস্বামী আৰু গুণ বৰুৱা, বি টি এ ডিব যুটীয়া সচিব দিনেশ চন্দ্ৰ বড়ো, অৱসৰপ্ৰাপ্ত অধ্যাপক মাণিক গগৈ গ্ৰন্থ উন্মোচক হিচাপে উপস্থিত থাকে। ইয়াৰ পিচতে 'প্ৰমীলা দেৱী সোঁৱৰণী মঞ্চ'ত দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ। প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত ন্যায়াধীশ কনক শৰ্মাই উদ্বোধন কৰা আৰু অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই আদৰণি ভাষণ দিয়া সমাৰোহত সঞ্চালক মণ্ডলী হিচাপে উপস্থিত থাকি এৰি অহা দিন মধুৰ স্মৃতি ৰোমন্থন কৰি নষ্টালজিক পৰে মহাবিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থী তথা বৰ্তমান সময়ৰ প্ৰতিষ্ঠিত ব্যক্তি ক্ৰমে মদন চন্দ্ৰ ভূঞা, চণ্ডিকা দত্ত কোঁৱৰ, সদা বৰা, মৃণাল শইকীয়া, কিশোৰ সিং ৰাজপুত, বিৰিঞ্চি বৰা, ৰশ্মিৰেখা শৰ্মা, জিণ্টু গোহাঁই আৰু দীনেশ চন্দ্ৰ বড়ো। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে শুভাৰম্ভ কৰা সমাৰোহত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। ইয়াৰ পিচতে অনুষ্ঠিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক সন্ধিয়া কাৰ্যসূচীত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা গীত-নৃত্যৰ অনুষ্ঠানে সকলোকে আপ্লুত কৰে।